**[২০১০] ৫ এচ. চি. আৰ.**

**মুখ্য কাৰ্যবাহী বিষয়া, জিলা পৰিষদ**

**বনাম**

**মহাৰাষ্ট্ৰ চৰকাৰ আৰু অন্যান্য**

**[দেৱানী আপীল নং ২০৪৮/২০০৭]**

**২২ এপ্ৰিল, ২০১০**

**(ন্যায়াধীশ জে. এম. পাঞ্চাল আৰু ন্যায়াধীশ ড° মুকুন্দকাম শৰ্মা)**

সেৱা আইন– বৰ্খাস্ত – ২নং প্ৰতিবাদীক অনুসূচিত জনজাতি শ্ৰেণীত অস্থায়ী সহকাৰী শিক্ষক হিচাপে নিযুক্তি দিয়া হৈছিল – তেওঁ দাখিল কৰা অনুসূচিত জনজাতিৰ প্ৰমাণ পত্ৰখন অনুসূচিত জনজাতি নিৰীক্ষণ সমিতিয়ে অবৈধ বুলি পায় ফলস্বৰূপে ২নং প্ৰতিবাদীক বৰ্খাস্ত কৰা হয় - তেওঁ বিশেষ পিছপৰা শ্ৰেণী [এচ.বি.চি]ৰ অন্তভুক্ত বুলি দাবী কৰি চাকৰিত বাহাল ৰাখিবলৈ চৰকাৰৰ ওচৰত আবেদন জনায় আৰু চৰকাৰী প্ৰস্তাৱ এটাৰ অধীনত সুৰক্ষা বিচাৰে যিয়ে অন্যান্য বিষয়ৰ লগতে বিশেষ পিছপৰা শ্ৰেণী হিচাপে গণ্য কৰা জাতি সমূহ নিৰ্দিষ্ট কৰে - চৰকাৰে আপীলকাৰীক উক্ত প্ৰস্তাৱৰ প্ৰতি লক্ষ্য ৰাখি ২নং প্ৰতিবাদীৰ সপক্ষে প্ৰয়োজনীয় ব্যৱস্থা লবলৈ নিৰ্দেশ দিয়ে – অৱশ্যে প্ৰতিবাদী নং–২ক চাকৰিত পুনৰ নিযুক্তি দিয়া হোৱা নাছিল – তেওঁ দাখিল কৰা লেখ আবেদন খন উচ্চ ন্যায়ালয়ে মঞ্জুৰ কৰে– কিন্তু আপীলত এই কথা কোৱা হৈছে যে– প্ৰতিবাদী নং–২ য়ে দাখিল কৰা অনুসূচীত জনজাতিৰ প্ৰমাণপত্ৰ খল জাতি নিৰীক্ষণ সমিতিৰ দ্বাৰা বাতিল হোৱাৰ বাবে তেওঁৰ নিযুক্তি আৰম্ভণিৰে পৰাই বাতিল

হৈ পৰে – অবৈধ নিযুক্তি চৰকাৰে বৈধ কৰিব নোৱাৰিলেহেঁতেন – অৱশ্যে, অগতানুগতিক তথ্যৰ ওপৰত ভিত্তি কৰি ২নং প্ৰতিবাদীৰ বৰ্খাস্তৰ নিৰ্দেশ দিয়াটো কঠিন হ'ব কিয়নো উচ্চ ন্যায়ালয়ে বিবাদিত ৰায় প্ৰদান কৰাৰ পিছতো তেওঁ আজিকোপতি চাকৰিত বৰ্তি আছে – যিহেতু, আপীলকাৰীৰ ওচৰত বিশেষ পিছপৰা শ্ৰেণীৰ অধীনত কোনো পদ উপলব্ধ নহয়, সেয়ে ন্যায়ৰ স্বাৰ্থত অতিৰিক্ত পদ সৃষ্টিৰে তেওঁ দাখিল কৰা এচ.বি. চি প্ৰমাণ পত্ৰ জাতি নিৰীক্ষণ সমিতিৰ দ্বাৰা পৰীক্ষা কৰি প্ৰতিবাদী নং ২ ক মকৰল কৰিবলৈ চৰকাৰক নিৰ্দেশনা দিয়া হ'ল–ফলস্বৰূপে দিয়া নিৰ্দেশনা।

প্ৰতিবাদী নং–২ক তেওঁৰ জনজাতিৰ দাবীৰ প্ৰমাণীকৰণ সাপেক্ষে অনুসূচীত জনজাতি শ্ৰেণীত অস্থায়ী ভাৱে সহকাৰী শিক্ষক হিচাপে নিযুক্তি দিয়া হৈছিল। প্ৰতিবাদী নং ২ য়ে দাখিল কৰা জনজাতিৰ প্ৰমাণপত্ৰ খন সত্যাসত্য নিৰূপণৰ বাবে অনুসূচীত জনজাতি নিৰীক্ষণ সমিতি লৈ প্ৰেৰণ কৰা হৈছিল আৰু অনুসূচীত জনজাতি নিৰীক্ষণ সমিতিয়ে উক্ত প্ৰমাণ পত্ৰখন অবৈধ বুলি বিবেচনা কৰিছিল। ফলস্বৰূপে প্ৰতিবাদী নং ২ক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হয়।

পৰৱৰ্তী সময়ত, প্ৰতিবাদী নং ২য়ে বিশেষ পিছ পৰা শ্ৰেণীৰ বুলি দাবী কৰে আৰু ১৯৯৫ চনৰ ১৫ জুন তাৰিখৰ চৰকাৰী প্ৰস্তাৱৰ, যি প্ৰস্তাৱে অন্যান্য বিষয়ৰ লগতে বিশেষ পিছ পৰা শ্ৰেণী হিচাপে গণ্য কৰা জাতি সমূহ নিৰ্দিষ্ট কৰে, অধীনত সুৰক্ষা বিচাৰি চাকৰিত বাহাল ৰাখিবলৈ তেওঁ চৰকাৰৰ ওচৰত আবেদন জনায়। চৰকাৰে আপীলকাৰীক এখন পত্ৰৰ জৰিয়তে সম্বোধন কৰি ব্যক্ত কৰে যে যদিও প্ৰতিবাদী নং ২ ৰ অনুসূচীত জনজাতি বুলি উল্লেখ কৰা প্ৰমাণপত্ৰখন নিৰীক্ষণ সমিতিৰ দ্বাৰা বাতিল হৈছে, তেওঁ ১৯৯৫ চনৰ ১৫ জুন তাৰিখৰ চৰকাৰী প্ৰস্তাৱ মৰ্মে সুৰক্ষা পোৱাৰ অধিকাৰী হ'ব, কাৰণ তেওঁ বিশেষ পিছপৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত বুলি বৈধ প্ৰমাণ পত্ৰ দাখিল কৰিছিল আৰু সেই অনুসাৰে আপীলকাৰীক এই বিষয়ত প্ৰয়োজনীয় ব্যৱস্থা লবলৈ নিৰ্দেশ দিয়া হৈছিল। চৰকাৰে দিয়া সুৰক্ষাৰ পিছতো প্ৰতিবাদী নং ২ক পুনৰ চাকৰিত নিযুক্তি দিয়া নহ'ল। সেয়েহে তেওঁ তেওঁৰ চাকৰি বাতিল কৰাৰ আদেশক প্ৰত্যাহ্বান জনাই লেখ আবেদন দাখিল কৰিছিল, যাক উচ্চ ন্যায়ালয়ে মঞ্জুৰ কৰিছিল। সেয়েহে এই আবেদন।

আংশিক ভাৱে আপীল মঞ্জুৰ কৰি ন্যায়ালয়ে মতপোষণ কৰে : ১.১ – আইনৰ সুনিৰ্দিষ্ট নীতিটো হ'ল যে এজন ব্যক্তিক অনুসূচীত জনজাতিৰ অন্তৰ্গত বুলি উল্লেখ কৰা প্ৰমাণপত্ৰখন যেতিয়া জাতি নিৰীক্ষণ সমিতিয়ে অবৈধ বুলি কয়, তেওঁৰ নিযুক্তি আৰম্ভণিৰে পৰাই অকাৰ্যকৰী হৈ পৰে। চৰকাৰে কেৱল আবেদনকাৰীৰ সৈতে যোগাযোগ কৰি বাতিল নিযুক্তিটো বৈধতা প্ৰদান কৰিব নোৱাৰিলেহেঁতেন। উচ্চ ন্যায়ালয়ত দাখিল কৰা আবেদনকাৰীৰ গোচৰটো আছিল যে বিশেষ পিছপৰা শ্ৰেণীৰ (এছ. বি. চি.) প্ৰাৰ্থীসকলৰ কোটাৰ পৰা পদটো পূৰণ কৰা হৈছিল আৰু কোনো খালী পদ উপলব্ধ নাছিল। উচ্চ ন্যায়ালয়ে আপীলকাৰীক অনুমোদিত পদ আৰু বিভিন্ন প্ৰাৰ্থীৰ দখলকে ধৰি কৰ্মচাৰীৰ আৰ্হি উপস্থাপন কৰিবলৈ নিৰ্দেশ দিয়ে। উচ্চ ন্যায়ালয়ৰ ওপৰত উল্লেখ কৰা নিৰ্দেশনাৰ প্ৰতি লক্ষ্য ৰাখি আপীলকাৰীয়ে প্ৰয়োজনীয় বিৱৰণসহ উত্তৰ দাখিল কৰে। উত্তৰত আঙুলিয়াই দিয়া হৈছিল যে প্ৰাথমিক শিক্ষা বিষয়া, জিলা পৰিষদে মাধ্যমিক বিদ্যালয়ৰ শিক্ষকৰ শ্ৰেণীত বিশেষ পিছ পৰা শ্ৰেণীৰ বাবে চাৰিটা পদ সংৰক্ষিত আছে বুলি আপীলকাৰীক জনাইছিল আৰু সকলোবোৰ পদ পূৰণ কৰা হৈছিল। বিশেষভাৱে পিছপৰা শ্ৰেণীৰ বাবে সংৰক্ষিত পদৰ উপলব্ধতাৰ বিষয়ে আপীলকাৰীৰ হৈ দাখিল কৰা উত্তৰৰ জৰিয়তে উচ্চ ন্যায়ালয়ত বিতংভাৱে তথ্য প্ৰদান কৰাৰ পিছতো ন্যায়ালয়ে নিৰ্দিষ্ট পদসমূহ সঁচাকৈয়ে উপলব্ধ আছিল নে নাই সেইটো স্পষ্ট কৰা নাছিল বা কোনো তথ্য প্ৰকাশ কৰা নাছিল। বৰঞ্চ উচ্চ ন্যায়ালয়ে আপীলকাৰীক ৰাজ্য চৰকাৰে আদেশপ্ৰদান কৰা তাৰিখৰ পৰা চৰকাৰৰ নিৰ্দেশ মানি চলি ২ নং প্ৰতিবাদীক তৎক্ষণাত পুনৰ সেৱাত নিযুক্তি দিবলৈ নিৰ্দেশ দিয়ে। পুনৰ নিযুক্তিৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে নিৰ্দেশ দিয়া তাৰিখৰ পৰা পাবলগীয়া মজুৰি অন্তৰ্ভুক্ত কৰিবলৈও নিৰ্দেশ দিয়া হৈছিল আৰু উচ্চ ন্যায়ালয়ে পুনৰ নিযুক্তিৰ সময়ত চাকৰিত ধাৰাবাহিকতাৰ সুবিধা প্ৰদানৰ বাবেও নিৰ্দেশ দিছিল; যদিও আপীলকাৰীয়ে উত্তৰ দাখিলৰ জৰিয়তে উচ্চ ন্যায়ালয়ৰ সন্মুখত উপস্থাপন কৰা তথ্যই ইংগিত দিছিল যে বিশেষ পিছপৰা শ্ৰেণীৰ কোনো পদ উপলব্ধ নাছিল আৰু ৰাজ্য চৰকাৰে বিশেষ পিছপৰা শ্ৰেণীৰ বাবে পদৰ উপলব্ধতাৰ সন্দৰ্ভত আপীলকাৰীয়ে প্ৰদান কৰা তথ্যক প্ৰত্যাহ্বান জনোৱা নাছিল। [দফা ৫, ৬] [১৩৩ – জি–এইচ; ১৩৪–এ–ই; ১৩৫ – এ–চি]

২. নথিৰ পৰা দেখা গৈছে যে এই আপীলত প্ৰত্যাহ্বান জনোৱা উচ্চ ন্যায়ালয়ৰ ৰায় অনুসৰি ইতিমধ্যে প্ৰতিবাদী নং ২ ক পুনৰ চাকৰিত নিযুক্তি দিয়া হৈছে। নথিৰ পৰা এইটোও দেখা যায় যে প্ৰতিবাদী নং ২য়ে সেই সময় ছোৱাত চাকৰিত আছিল যেতিয়া তেওঁক চাকৰিৰৰ পৰা বৰ্খাস্ত কৰা হৈছিল কাৰণ, জাতি নিৰীক্ষণ সমিতিৰ দ্বাৰা তেওঁৰ জাতিগত প্ৰমাণ পত্ৰ বাতিল কৰা হৈছিল। তেওঁ এতিয়ালৈকে বিতৰ্কিত ৰায় প্ৰদান কৰাৰ পিছৰ পৰা সেৱাত আছে আৰু সেয়েহে, প্ৰতিবাদী নং ২ৰ সেৱা পোনপটীয়াকৈ বাতিল কৰাটো কঠিন হব। ইয়াৰোপৰি, প্ৰতিবাদী নং ২ য়ে দাখিল কৰা প্ৰমাণ পত্ৰৰ ভিত্তিত চৰকাৰে আদেশ জাৰি কৰিছিল, যিয়ে তেওঁ বিশেষ পিছপৰা শ্ৰেণীৰ বুলি প্ৰদৰ্শন কৰিছিল। নথিৰ পৰা এইটোও দেখা যায় যে নিযুক্তিৰ পূৰ্বে তেওঁ বিশেষ পিছ পৰা শ্ৰেণীৰ বুলি উল্লেখ কৰা এই প্ৰমাণপত্ৰখন দাখিল কৰিছিল কিন্তু আপীলকাৰীয়ে জাতি নিৰীক্ষণ সমিতিৰ দ্বাৰা ইয়াক পৰীক্ষা কৰাৰ বাবে কোনো পদক্ষেপ লোৱা নাছিল। [দফা ৬] [১৩৫-চি-এফ]

৩. আপীলকাৰীৰ ওচৰত বিশেষ পিছপৰা শ্ৰেণীৰ কোনো পদ উপলব্ধ নোহোৱাৰ প্ৰতি লক্ষ্য ৰাখি যদিহে চৰকাৰক জাতি নিৰীক্ষণ সমিতিৰ জড়িয়তে উক্ত জাতিৰ প্ৰমাণপত্ৰ পৰীক্ষা কৰাৰ পিছত প্ৰতিবাদী নং ২ ক স্থান দিয়াৰ বাবে আপীলকাৰী নং ১ৰ প্ৰতিষ্ঠানত অতিৰিক্ত পদ সৃষ্টি কৰিবলৈ নিৰ্দেশ দিয়া হয় তেতিয়াহে ন্যায়ৰ স্বাৰ্থ পূৰণ হ'ব। ফলস্বৰূপে প্ৰতিবাদী নং ১, অৰ্থাৎ মহাৰাষ্ট্ৰ চৰকাৰক আপীলকাৰী নং ১ৰ প্ৰতিষ্ঠানত প্ৰতিবাদী নং ২ ৰ বাবে এটি অতিৰিক্ত পদ সৃষ্টি কৰিবলৈ নিৰ্দেশ দিয়া হ'ল। ই মহাৰাষ্ট্ৰ ৰাজ্য আৰু আপীলকাৰীৰ বাবে প্ৰতিবাদী নং ২ ৰ দ্বাৰা জাতিৰ প্ৰমাণ পত্ৰ দাখিল কৰাটো মুকলি হ'ব যিয়ে সূচায় যে তেওঁ জাতি নিৰীক্ষণ সমিতিৰ পৰা প্ৰমাণিত বিশেষ পিছপৰা শ্ৰেণীৰ অন্তৰ্ভূক্ত। যদিহে জাতি নিৰীক্ষণ সমিতিয়ে এই সিদ্ধান্তত উপনীত হয় যে ২ নং প্ৰতিবাদীয়ে দাখিল কৰা জাতি প্ৰমাণপত্ৰ বৈধ, তেন্তে তেওঁক সেৱাৰত হৈ থাকিব আৰু বিবাদিত ৰায় অনুসৰি তেওঁক পুনৰ চাকৰিত নিযুক্তি দিয়াৰ তাৰিখলৈকে আগৰ মজুৰিৰ বাহিৰে সকলো সুবিধা প্ৰদান কৰা হ'ব। প্ৰতিবাদী নং ২ য়ে তেওঁ বিশেষ পিছপৰা শ্ৰেণীৰ বুলি কৰা দাবীটো জাতি নিৰীক্ষণ সমিতিৰ দ্বাৰা প্ৰমাণিত নহয়, তেন্তে আপীলকাৰীয়ে তেওঁৰ বিৰুদ্ধে আইন অনুসৰি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাৰ অধিকাৰী হ'ব। [দফা ৬, ৭] [১৩৫-এফ-এইচ; ১৩৬ - এ, চি-ডি]

দেৱানী আপীল অধিকাৰক্ষেত্ৰ : ২০০৭ চনৰ দেৱানী আপীল নং– ২০৪৮, ব’ম্বে উচ্চ ন্যায়ালয়ৰ নাগপুৰ বিচাৰপীঠৰ ২০০৩ চনৰ ১৭৬৪ নং লেখ আবেদনৰ ৰায় আৰু আদেশ

পক্ষ সমূহৰ হৈ –

এম. এচ্. নাৰ্গোলকাৰ, আনাঘা দেশাই, ভেংকটেশ্বৰ ৰাও, আনমুল, ডি. এম. নাৰ্গোলকৰ, সঞ্জয় ভি থাৰ্দে [আশা জি. নায়াৰৰ হৈ]

ৰায়দান প্ৰদান কৰে–

**ন্যায়াধীশ জে. এম. পাঞ্চাল** : ১) এই আপীলে ২০০৩ চনৰ ১৭৬৪ নং লেখ আবেদনত বম্বে উচ্চ ন্যায়ালয়ৰ নাগপুৰ স্থিত খণ্ড বিচাৰপীঠে ২০০৪ চনৰ ৩১ আগষ্ট তাৰিখে প্ৰদান কৰা ৰায়দানক প্ৰত্যাহ্বান জনাইছে। ইয়াৰ দ্বাৰা প্ৰতিবাদী নং ২, অৰ্থাৎ গজানন সদাশিৱ গুলে দাখিল কৰা লেখ আবেদন মঞ্জুৰ কৰা হৈছে আৰু ১৯৯৮ চনৰ ৪ মে’ৰ পৰা তেওঁৰ সেৱা বন্ধ কৰাৰ আদেশ বাতিল কৰা হৈছে।

২। গোচৰৰ চমু বিৱৰণ নিম্ন লিখিত ধৰণৰ –

২ নং প্ৰতিবাদীয়ে, তেওঁ অনুসূচীত জনজাতিৰ অন্তৰ্গত বুলি দাবী কৰি আপীলকাৰীক সহকাৰী শিক্ষক হিচাপে নিযুক্তি দিবলৈ আবেদন জনায়। ২ নং প্ৰতিবাদীক অনুসূচীত জনজাতি শ্ৰেণীৰ বাছনি বোৰ্ডে নিৰ্বাচিত কৰি ১৯৯৩ চনৰ ১৬ জানুৱাৰীত সাময়িকভাৱে সহকাৰী শিক্ষক হিচাপে নিযুক্তি দিয়ে। প্ৰতিবাদী নং ২ৰ নিযুক্তি তেওঁৰ জনজাতি দাবী পৰীক্ষণৰ আওতাত আছিল। প্ৰতিবাদী নং ২ য়ে দাখিল কৰা জনজাতি প্ৰমাণ পত্ৰখন পৰীক্ষাৰ বাবে অনুসূচীত জনজাতি নিৰীক্ষণ সমিতি [চমুকৈ নিৰীক্ষণ সমিতি] লৈ প্ৰেৰণ কৰা হৈছিল। ২ নং প্ৰতিবাদীয়ে দাখিল কৰা কিছু নথি পত্ৰত তেওঁ “হিন্দু কলি” বুলি উল্লেখ কৰিছিল। নিৰীক্ষণ সমিতিয়ে ২ নং প্ৰতিবাদীক শুনানীৰ বাবে সুযোগ দি ১৯৯৭ চনৰ ৬ নবেম্বৰ তাৰিখৰ সিদ্ধান্তৰ দ্বাৰা জনজাতিৰ প্ৰমাণ পত্ৰখন বাতিল কৰে। ২ নং প্ৰতিবাদীয়ে সাময়িকভাৱে কাম কৰি থকা সহকাৰী শিক্ষকৰ পদটো বিশেষভাৱে অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত আছিল। সেয়েহে, ১৯৯৮ চনৰ ৪ মে’ তাৰিখৰ আদেশমৰ্মে আপীলকাৰীয়ে ২ নং প্ৰতিবাদীৰ চাকৰিৰ পৰিসমাপ্তি ঘটায়। ইয়াৰ পিছত, ২ নং প্ৰতিবাদীয়ে বোম্বে উচ্চ ন্যায়ালয়ৰ নাগপুৰ বিচাৰপীঠত

এটি লেখ আবেদন নং– ১৯৯৮ চনৰ ১৬৬০ দাখিল কৰে। তেওঁ তেওঁৰ চাকৰি বাতিলৰ আদেশৰ লগতে নিৰীক্ষণ সমিতিৰ ১৯৯৭ চনৰ ৬ নৱেম্বৰ তাৰিখৰ আদেশক প্ৰত্যাহ্বান জনায়। উক্ত বিষয়টোৰ শুনানী গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ৰ বিভাগীয় বিচাৰপীঠক আঙুলিয়াই দিয়া হৈছিল যে ১৯৯৭ চনৰ ৬ নৱেম্বৰত নিৰীক্ষণ সমিতিয়ে সাক্ষাৎকাৰ নিৰ্দ্ধাৰণ কৰিছিল যদিও ১৯৯৭ চনৰ ১২ নৱেম্বৰ তাৰিখে ২ নং প্ৰতিবাদীয়ে জাননী লাভ কৰিছিল। ২ নং প্ৰতিবাদীৰ হৈ দাখিল কৰা উক্ত আবেদন উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰে।

উচ্চ ন্যায়ালয়ে ১৯৯৭ চনৰ ৬ নৱেম্বৰ তাৰিখে ২ নং প্ৰতিবাদীৰ জাতিগত দাবী বাতিল কৰা আদেশ বাতিল কৰি তেওঁক শুনানীৰ প্ৰয়োজনীয় সুযোগ প্ৰদান কৰি নিৰীক্ষণ সমিতিক বিষয়টোৰ ওপৰত নতুনকৈ সিদ্ধান্ত লবলৈ নিৰ্দেশ দিয়ে। ন্যায়ালয়ে ইয়াৰ উপৰিও ২ নং প্ৰতিবাদীক সকলো প্ৰয়োজনীয় নথি পত্ৰৰ সৈতে ১৯৯৯ চনৰ ২৯ জানুৱাৰীত নিৰীক্ষণ সমিতিৰ সন্মুখত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়ে। সেই অনুসৰি, ১৯৯৯ চনৰ ২৯ জানুৱাৰীত ২ নং প্ৰতিবাদীয়ে নিৰীক্ষণ সমিতিৰ সন্মুখত হাজিৰ হৈছিল যদিও তেওঁক সময় দিবৰ বাবে অনুৰোধ কৰিছিল আৰু সেয়েহে ১৯৯৯ চনৰ ৩০ ডিচেম্বৰত তেওঁক হাজিৰ হ'বলৈ কোৱা হৈছিল। ২ নং প্ৰতিবাদীয়ে ১৯৯৯ চনৰ ৩০ ডিচেম্বৰত উক্ত কমিটিৰ সন্মুখত হাজিৰ হৈছিল আৰু আকৌ সময় বিচাৰি প্ৰাৰ্থনা জনাইছিল। নথিৰ পৰা দেখা যায় যে ইয়াৰ পিছত ২ নং প্ৰতিবাদীয়ে নিৰীক্ষণ কমিটিৰ আগত গোচৰৰ তদন্ত চলাবলৈ আগ্ৰহী নাছিল। ২ নং প্ৰতিবাদীয়ে ১৯৯৮ চনৰ ৪ মে' তাৰিখৰ আদেশক প্ৰত্যাহ্বান জনাই ১৯৯৯ চনৰ লেখ আবেদন নং ৮৭৯ দাখিল কৰে যাৰ দ্বাৰা আপীলকাৰীয়ে তেওঁৰ চাকৰি বাতিল কৰিছিল। বোম্বে উচ্চ ন্যায়ালয়ৰ নাগপুৰ বিচাৰপীঠে ২০০০ চনৰ ১৭ এপ্ৰিলৰ ৰায়দানৰ জড়িয়তে পৰ্য্যবেক্ষণৰে উক্ত লেখ আবেদন খাৰিজ কৰি কয় যে প্ৰতিবাদী নং ২ য়ে নিৰীক্ষণ সমিতিৰ আগত তদন্তৰ কাম আৰু আগবঢ়াবলৈ আগ্ৰহী নহয় আৰু বিভিন্ন অজুহাত দেখুৱাই সমগ্ৰ প্ৰক্ৰিয়াটো লেহেমীয়া কৰি আছে।

৩। লেখ আবেদন খাৰিজ হোৱাৰ পিছত ২০০০ চনৰ ২৪ এপ্ৰিলত ২ নং প্ৰতিবাদীয়ে নিৰীক্ষণ সমিতিৰ সন্মুখত হাজিৰ হয় যদিও সময় দিবলৈ প্ৰাৰ্থনা কৰে। সেয়েহে, নিৰীক্ষণ সমিতিয়ে শুনানী ২০০০ চনৰ ২৬ জুনলৈ স্থগিত ৰাখে। উক্ত

তাৰিখটো আকৌ প্ৰতিবাদী নং ২ য়ে আৰু অধিক সময়ৰ বাবে অনুৰোধ জনায়, যিটো নিৰীক্ষণ সমিতিয়ে মঞ্জুৰ কৰে। ইয়াৰ পিছত ২ নং প্ৰতিবাদীয়ে উক্ত কমিটিৰ আগত মুঠেই হাজিৰ নহ'ল আৰু সেয়েহে নিৰীক্ষণ সমিতিয়ে ২০০০ চনৰ ১৩ নৱেম্বৰ তাৰিখৰ আদেশৰ জড়িয়তে প্ৰতিবাদী নং ২ ৰ জনজাতিৰ দাবী পৰীক্ষণৰ বিষয়টো বন্ধ কৰাৰ সিদ্ধান্ত লয়। ১৯৯৯ চনৰ লেখ আবেদন নং ৮৭৯ খাৰিজ হোৱাৰ তাৰিখৰ পৰা প্ৰায় তিনি বছৰ পাৰ হোৱাৰ পিছত প্ৰতিবাদী নং ২ বিশেষ পিছপৰা শ্ৰেণীত অন্তৰ্ভুক্ত বুলি দাবী কৰি তেওঁক চাকৰিত পুনৰ নিযুক্তি দিয়াৰ বাবে আৰু ১৯৯৫ চনৰ ১৫ জুন তাৰিখৰ চৰকাৰৰ প্ৰস্তাৱৰ ভিত্তিত তেওঁক সুৰক্ষা প্ৰদান কৰা উচিত বুলি চৰকাৰক আবেদন জনায়। ১৯৯৫ চনৰ ১৫ জুন তাৰিখৰ উক্ত প্ৰস্তাৱত অন্যান্য বিষয়ৰ লগতে বিশেষ পিছপৰা শ্ৰেণীৰ জাতি সমূহক নিৰ্দিষ্ট কৰা হৈছে। যি সূচায় যে তেওঁ বিশেষ পিছপৰা শ্ৰেণীৰ সদস্য।মহাৰাষ্ট্ৰ চৰকাৰৰ গ্ৰাম্য উন্নয়ন আৰু জল সংৰক্ষণ বিভাগে সেয়েহে ২০০২ চনৰ ৬ ফেব্ৰুৱাৰী তাৰিখে আপীলকাৰীলৈ এখন পত্ৰ প্ৰেৰণ কৰি উল্লেখ কৰিছিল যে ১৯৯২ চনৰ ৬ অক্টোবৰৰ আদেশ অনুসৰি (নিযুক্তিৰ সঠিক তাৰিখ ১৬ জানুৱাৰী, ১৯৯৩) তাৰিখৰ নিৰ্দেশ অনুসৰি ২ নং উত্তৰদাতাক সহকাৰী শিক্ষক হিচাপে নিযুক্তি দিছিল। যদিও তেওঁ অনুসূচীত জনজাতিৰ বুলি উল্লেখ কৰা প্ৰমাণপত্ৰখন নিৰীক্ষণ সমিতিৰ দ্বাৰা বাতিল কৰে, তথাপিও ১৯৯৫ চনৰ ১৫ জুন তাৰিখৰ চৰকাৰী প্ৰস্তাৱৰ প্ৰতি লক্ষ্য ৰাখি তেওঁৰ সেৱা সুৰক্ষিত হ'ব, কিয়নো তেওঁ এক বৈধ প্ৰমাণপত্ৰ দাখিল কৰিছে যি সূচায় যে তেওঁ বিশেষ পিছপৰা শ্ৰেণীৰ সদস্য। উক্ত পত্ৰৰ জড়িয়তে আপীলকাৰীক প্ৰয়োজনীয় ব্যৱস্থা লবলৈ নিৰ্দেশ দিয়া হৈছিল। চৰকাৰে সুৰক্ষা দিয়া স্বত্বেও ২ নং প্ৰতিবাদীক চাকৰিত পুনৰ নিযুক্তি দিয়া নহ'ল। সেয়েহে তেওঁ ১৯৯৮ চনৰ ৪ মে তাৰিখৰ চাকৰিত বাতিল কৰা আদেশক প্ৰত্যাহ্বান জনাই ২০০৩ চনৰ লেখ আবেদন নং ১৭৬৪ দাখিল কৰে। ব'ম্বে উচ্চ ন্যায়ালয়ৰ নাগপুৰ স্থিত বিচাৰপীঠে ২০০৪ চনৰ ৩১ আগষ্টৰ ৰায় দানৰ জড়িয়তে উক্ত আবেদনৰ অনুমতি দিছে যাৰ বাবে এই আপীল দাখিল কৰা হৈছে।

৪) এই ন্যায়ালয়ে পক্ষ সমূহৰ বিজ্ঞ অধিবক্তা সকলৰ যুক্তি সমূহ শুনিছে আৰু আপীলৰ অংশ হিচাপে নথি-পত্ৰ সমূহ বিবেচনা কৰিছে।

৫) নথিৰ পৰা এইটো স্পষ্ট হয় যে ১ নং প্ৰতিবাদী অৰ্থাৎ মহাৰাষ্ট্ৰ চৰকাৰৰ স্থিতি হ'ল যে ২ নং প্ৰতিবাদীয়ে ১৯৯৫ চনৰ ১৫ জুন তাৰিখৰ চৰকাৰী প্ৰস্তাৱৰ অধীনত সুৰক্ষা পাব লাগে। আইনৰ প্ৰতিষ্ঠিত নীতি এইয়ে যে কোনো ব্যক্তিক অনুসূচিত জনজাতিৰ বুলি উল্লেখ কৰা প্ৰমাণপত্ৰ জাতি নিৰীক্ষণ সমিতিৰ দ্বাৰা অবৈধ বুলি ঘোষণা কৰিলে তেওঁৰ নিযুক্তি আৰম্ভণিৰে পৰাই বাতিল হৈ পৰে। আপীলকাৰীৰ লগত যোগাযোগ কৰি চৰকাৰে বাতিল নিযুক্তিটোক বৈধতা প্ৰদান কৰিব নোৱাৰিলেহেঁতেন। উচ্চ ন্যায়ালয়ত আপীলকাৰীৰ গোচৰটো আছিল যে বিশেষ ভাবে পিছপৰা শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে উপলব্ধ কোটাৰ পৰা পদটো পূৰণ কৰা হৈছিল আৰু তেনেকুৱা কোনো খালী পদ উপলব্ধ নাছিল। কিন্তু উচ্চ ন্যায়ালয়ে ২০০৩ চনৰ ১৬ ডিচেম্বৰ তাৰিখৰ আদেশৰ জড়িয়তে আপীলকাৰীক অনুমোদিত পদ আৰু বিভিন্ন প্ৰাৰ্থীয়ে বৰ্তমান কেনেকৈ পূৰণ কৰা হৈছে তাৰ আৰ্হি উপস্থাপন কৰিবলৈ নিৰ্দেশ দিয়ে আৰু স্পষ্ট কৰে যে ২ নং প্ৰতিবাদীয়ে দাখিল কৰা লেখ আবেদন খনৰ শুনানী গ্ৰহণ কৰা হ'ব আৰু পৰৱৰ্তী পৰ্যায়ত গ্ৰহণ কৰা হ'ব।

৬। উচ্চ ন্যায়ালয়ে দিয়া উপৰত উল্লেখিত নিৰ্দেশনাৰ প্ৰতি লক্ষ্য ৰাখি আপীলকাৰীয়ে প্ৰয়োজনীয় বিৱৰণ সহ উত্তৰ দাখিল কৰে। উত্তৰত আঙুলিয়াই দিয়া হয় যে, বুলধনা জিলাৰ প্ৰাথমিক শিক্ষা বিষয়াই, জিলা পৰিষদ, ২০০৪ চনৰ ২ জানুৱাৰী তাৰিখে আপীলকাৰীক জনাইছিল যে মাধ্যমিক বিদ্যালয়ৰ শিক্ষকৰ শ্ৰেণীত বিশেষ পিছপৰা শ্ৰেণীৰ বাবে চাৰিটা পদ সংৰক্ষিত আছে আৰু সকলোবোৰ তলত দিয়া ধৰণে পূৰণ কৰা হৈছে।

নিম্ন শ্ৰেণীৰ সহকাৰী শিক্ষক

| ক্ৰঃ নং | জাতি | অনুমোদিত পদ | পূৰণ হোৱা পদ | খালী পদ |
|---|---|---|---|---|
| ১) | সাধাৰণ শ্ৰেণী | ১৫৫ | ১৪৬ | ০৯ |
| ২। | এছ, বি, চি | ০৪ | ০৪ | -- |

এছ, বি, চি,ঃ-

১) সুনীল মেহাৰকাৰ

২) কু.জ্যোতি ধ্যানেশ্বৰ থাকৰে–পলশী বু.

৩) কু.–জ্যোতি প্ৰভাকৰ ভাৱতকাৰ– মাংগৰুল নাৱাঘাৰে

৪) বিলাশ সীতাৰাম ৰাওৰে

যদিও এই বিৱৰণ সমূহ আপীলকাৰীৰ হৈ দাখিল কৰা উত্তৰৰ জড়িয়তে উষ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠৰ সন্মুখত উপস্থাপন কৰা হৈছিল, কিন্তু খণ্ড বিচাৰপীঠে বিশেষ পিছপৰা শ্ৰেণীৰ বাবে সংৰক্ষিত পদ সমূহ উপলব্ধ হয় নে নহয় সেই সম্পৰ্কে কোনো তথ্য লিপিবদ্ধ কৰা নাছিল আৰু বিবাদিত ৰায়ৰ জড়িয়তে প্ৰতিবাদী নং ২ ক চাকৰিত বাহাল ৰাখিবলৈ ততালিকে চৰকাৰৰ ২০০২ চনৰ ৬ ফেব্ৰুৱাৰী তাৰিখৰ আদেশ মৰ্ম্মে আপীলকাৰীক নিৰ্দেশনা প্ৰদান কৰিছিল আৰু চৰকাৰে আদেশ জাৰী কৰা দিনৰে পৰা আগৰ মজুৰি সহ চাকৰিত বাহাল থকা ধাৰাবাহিকতাৰ সুবিধাও প্ৰদান কৰিবলৈ নিৰ্দেশনা দিছিল। মন কৰিবলগীয়া কথাটো হ'ল যে, উষ্চন্যায়ালয়ৰ বিভাগীয় বিচাৰপীঠৰ সন্মুখত আপীলকাৰীয়ে উত্তৰ দাখিল কৰি উপস্থাপন কৰা তথ্য যিয়ে ইংগিত দিছিল যে কোনো বিশেষ পিছ পৰা শ্ৰেণীৰ পদ উপলব্ধ নাছিল আৰু সেয়া মহাৰাষ্ট চৰকাৰে প্ৰত্যাহবান জনোৱা নাছিল। নথিৰ পৰা দেখা যায় যে, এই আপীলৰ বিবাদিত উষ্চ ন্যায়ালয়ৰ ৰায় অনুসৰি ২ নং প্ৰতিবাদীক পুনৰ নিযুক্তি দিয়া হৈছিল। নথিৰ পৰা এইটোও দেখা যায় যে, ১৯৯৩ চনৰ ১৬ জানুৱাৰীৰ পৰা ১৯৯৮ চনৰ ৪ মে' লৈকে ২ নং প্ৰতিবাদী চাকৰি কৰি আছিল আৰু সেই সময়তে জাতি নিৰীক্ষণ সমিতিয়ে তেওঁৰ জাতিৰ প্ৰমাণ পত্ৰ বাতিল কৰিছিল। ২০০৪ চনৰ ৩১ আগষ্ট তাৰিখে বিবাদিত ৰায়দান কৰাৰ পিছত আজিলৈকে তেওঁ চাকৰিত আছে আৰু সেয়েহে ২ নং প্ৰতিবাদীৰ চাকৰি বাতিল কৰাৰ আদেশ দিয়াটো কঠিন হ'ব। এই ন্যায়ালয়ে মতপোষণ কৰে যে, ২০০২ চনৰ ফেব্ৰুৱাৰী মাহৰ ৬ তাৰিখে প্ৰতিবাদী নং ২ য়ে দাখিল কৰা প্ৰমাণ পত্ৰৰ ভিত্তিত চৰকাৰে আদেশ জাৰী কৰিছিল যিটোৱে বুজায় যে তেওঁ বিশেষ পিছপৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত। নথিৰ পৰা এইটোও দেখা যায় যে তেওঁৰ নিযুক্তিৰ পূৰ্বে ২০০২ চনৰ ১২ জুন তাৰিখে এই প্ৰমাণপত্ৰখন দাখিল কৰিছিল য'ত তেওঁ বিশেষ পিছপৰা শ্ৰেণীৰ বুলি উল্লেখ কৰিছিল কিন্তু আপীলকাৰীয়ে জাতি নিৰীক্ষণ

সমিতিৰ দ্বাৰা ইয়াক পৰীক্ষা কৰাৰ বাবে কোনো পদক্ষেপ গ্ৰহণ কৰা নাছিল। বিশেষ পিছপৰা শ্ৰেণীৰ কোনো পদ আপীলকাৰীৰ ওচৰত উপলব্ধ নোহোৱাৰ প্ৰতি লক্ষ্য ৰাখি ন্যায়ালয়ে মতপোষণ কৰে যে জাতি নিৰীক্ষণ সমিতিৰ দ্বাৰা জাতিগত প্ৰমাণ সত্যাসত্য প্ৰমাণ সাপেক্ষে প্ৰতিবাদী নং ২ ক প্ৰমাণ পত্ৰ লাভ কৰাৰ স্বাধীনতা দি যদি চৰকাৰক আপীলকাৰী নং ১ ৰ প্ৰতিষ্ঠানত প্ৰতিবাদী নং ২ ক নিযুক্ত কৰিবলৈ অতিৰিক্ত পদ সৃষ্টি কৰাৰ কাৰণে নিৰ্দেশ দিয়া হয় তেন্তে ন্যায় প্ৰদান কৰা হ'ব।

৭) ওপৰত উল্লেখ কৰা কাৰণ সমূহৰ বাবে আপীল আংশিক ভাৱে সফল হয়। ১ নং প্ৰতিবাদী অৰ্থাৎ মহাৰাষ্ট্ৰ চৰকাৰক আপীলকাৰী নং ১ ৰ প্ৰতিষ্ঠানত এটা অতিৰিক্ত পদ সৃষ্টি কৰি প্ৰতিবাদী নং ২ ক যিমান সোনকালে পাৰি আৰু পাৰিলে এই আদালতৰ পৰা লিখিত আদেশ পোৱাৰ দুই মাহৰ ভিতৰত প্ৰতিবাদী নং ২ ক নিযুক্ত কৰিবলৈ নিৰ্দেশনা প্ৰদান কৰা হয়। মহাৰাষ্ট্ৰ চৰকাৰ আৰু আপীলকাৰীয়ে প্ৰতিবাদী নং ২ য়ে তেওঁ বিশেষভাৱে পিছ পৰা শ্ৰেণীৰ বুলি দাবী কৰা ২০০২ চনৰ ১২ জুন তাৰিখৰ জাতিগত প্ৰমাণপত্ৰৰ সত্যতা আৰু বৈধতা পৰীক্ষা কৰাৰ সুযোগ পাব। যদিহে জাতি নিৰীক্ষণ সমিতিয়ে এই সিদ্ধান্তত উপনীত হয় যে ২ নং প্ৰতিবাদীয়ে দাখিল কৰা জাতিগত প্ৰমাণ পত্ৰ বৈধ তেন্তে তেওঁক চাকৰিত বাহাল ৰখা হ'ব আৰু ২০০২ চনৰ ৬ ফেব্ৰুৱাৰীৰ পৰা সেই অনুসৰি চাকৰিত পুনৰ নিযুক্তি পোৱাৰ তাৰিখলৈকে বিবাদিত ৰায় অনুসৰি তেওঁক পূৰ্বৰ মজুৰিৰ বাহিৰে সকলো সুবিধা প্ৰদান কৰা হ'ব। যদিহে ২ নং প্ৰতিবাদীয়ে তেওঁ বিশেষ পিছপৰা শ্ৰেণীৰ বুলি কৰা দাবী জাতি নিৰীক্ষণ সমিতিয়ে সমৰ্থন নকৰে তেন্তে আপীলকাৰীয়ে তেওঁৰ বিৰুদ্ধে আইন অনুসৰি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

৮)ওপৰত উল্লেখ কৰা পৰ্যবেক্ষণ আৰু স্পষ্টীকৰণৰ ভিত্তিত আপীল নিষ্পত্তি কৰা হ'ল। খৰচৰ ক্ষেত্ৰত কোনো আদেশ নাই ।

আংশিকভাৱে আপীল মঞ্জুৰ কৰা হ'ল।

Translated by- Hannanul Ahmed

Examined by- Kangkana Bora

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৰেই সঠিক বিবেচিত হব।“